**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 27-02-2026

**Time :** 1845 Hrs.

***Assamese Midday Bulletin***
**HEADLINE**

ooooo

১।	মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৪০ হাজাৰ পৰিয়ালক ভূমিপট্টা প্ৰদান।

২।	তিনিচুকীয়াৰ অম্বিকাপুৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ষষ্ঠ অসম আৰক্ষী কমাণ্ডো বাহিনীৰ মুখ্য কাৰ্যালয় উদ্বোধন।

৩।	কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ডিব্ৰুগড়ৰ বগীবিলত  সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদ মুকলি।

৪।	জুবিন ক্ষেত্ৰ নিৰ্মাণ সন্দৰ্ভত গঠিত সমিতিয়ে প্ৰতিবেদন দাখিল কৰাৰ পাছতে ৰাজ্য চৰকাৰে নিৰ্মাণকাৰ্য আৰম্ভ কৰিব বুলি মন্ত্ৰী বিমল বৰাৰ ঘোষণা।  *আৰু*

৫।	আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰত ছুপাৰ এইটৰ এখন খেলত ইংলেণ্ড- নিউজিলেণ্ডৰ মুখামুখি।

ooooo

মিছন বসুন্ধৰা তৃতীয় পৰ্য্যায়ৰ অধীনত ৰাজ্য চৰকাৰে আজি সমগ্ৰ অসমৰ প্ৰায় ৪০ হাজাৰ পৰিয়াল তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানক ভূমিপট্টা প্ৰদান কৰে। ইয়াৰ অংশস্বৰূপে কামৰূপ জিলাৰ পলাশবাৰী বিধানসভা সমষ্টিৰ ভূমিহীন থলুৱা লোকক ভূমি পট্টা প্ৰদান কৰা হয়। মিৰ্জাৰ শ্বহীদ ভৱনত অনুষ্ঠিত ভূমি পট্টা বিতৰণ অনুষ্ঠানত পলাশবাৰী বিধানসভা সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া মুখ্য অতিথি হিচাপে উপস্থিত থাকে। পলাশবাৰী ৰাজহ চক্ৰৰ ২৬৮ টা আৰু ছয়গাঁও ৰাজহ চক্ৰৰ ১৫৫ টা পৰিয়াল তথা বিভিন্ন প্ৰতিষ্ঠানক আজি ভূমি পট্টা দিয়া হয়। এই অনুষ্ঠানত পলাশবাৰী সমজিলাৰ আয়ুক্ত ৰশ্মি বৰুৱা গগৈ, পলাশবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অংকিতা শৰ্মা উপস্থিত থাকে।

মৰিগাঁও জিলাৰ তিনিওটা বিধানসভা সমষ্টিত আজি খিলঞ্জীয়া ভূমিহীন পৰিয়াল আৰু প্ৰতিষ্ঠানসমূহৰ ভূমি অধিকাৰ সুনিশ্চিত কৰাৰ লক্ষ্যৰে ডিজিটেল পট্টা, আবণ্টন, বন্দোবস্তিৰ পত্ৰ আৰু আবণ্টন, বন্দোবস্তিৰ প্ৰস্তাৱ গ্ৰহণৰ পত্ৰ বিতৰণ কৰা হয়। জিলাখনত ব্যক্তি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানক আজি ৬০৬ খন আবণ্টন তথা বন্দোবস্তিৰ প্ৰস্তাৱ গ্ৰহণৰ পত্ৰ প্ৰদানৰ ব্যৱস্থা কৰা হয়। ইয়াৰে খাচ মাটিত ২৫১ খন আৰু বিভিন্ন প্ৰতিষ্ঠানত

৩৫৫ খন পত্ৰ প্ৰদান কৰা হয়। মৰিগাঁও বিধানসভা সমষ্টিৰ বাবে মৰিগাঁও নগৰৰ সংহত জনজাতি উন্নয়ন প্ৰকল্পৰ সভাকক্ষত অনুষ্ঠিত পট্টা প্ৰদানৰ অনুষ্ঠানত জিলা আয়ুক্ত অনামিকা তেৱাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ইয়াৰে মৰিগাঁও সমষ্টিৰ ৬৯ জন, জাগীৰোড সমষ্টিৰ ১৭৮ জন আৰু লাহৰীঘাট সমষ্টিৰ চাৰিজন হিতাধিকাৰীয়ে খাচমাটিৰ ডিজিটেল পট্টা লাভ কৰিছে। মৰিগাঁও সমষ্টিৰ ১২৬ টা, জাগীৰোড সমষ্টিৰ ১৬৯ টা আৰু লাহৰীঘাট সমষ্টিৰ ৬০ টা প্ৰতিষ্ঠানে ডিজিটেল পট্টা লাভ কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজিত সংহত জিলা আয়ুক্তৰ কাৰ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ধেমাজি, চিচিবৰ গাঁও আৰু জোনাই বিধানসভা সমষ্টিৰ ৪৪ হাজাৰ ৭শ লোকৰ মাজত মিছন বসুন্ধৰা আঁচনিৰ অধীনত ভূমিপট্টা বিতৰণ কৰে। এই উপলক্ষে জিলাখনৰ দেউৰীবিলত আয়োজিত অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকে।

মুখ্যমন্ত্ৰীগৰাকীয়ে শদিয়াত আজি বিয়লি ৪১৮ কোটি টকা ব্যয়সাপেক্ষে কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ড° শৰ্মাই শদিয়াৰ অম্বিকাপুৰত ১৬০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ষষ্ঠ অসম আৰক্ষী কমাণ্ডো বাহিনীৰ মুখ্য কাৰ্যালয় আৰু হাস্পতাল চাৰিআলি-টুপছিঙা ঘাট সংযোগী আৰ চি চি দলংখন উদ্বোধন কৰাৰ লগতে শদিয়া চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন মুকলি কৰে। আজি মুকলি কৰা অসম আৰক্ষী কমাণ্ডো বাহিনীৰ মুখ্য কাৰ্যালয়টোত ৪০০ জন কমাণ্ডো থাকিব পৰা ব্যৱস্থা আছে। কমাণ্ডেণ্টৰ বাবে ৩ মহলীয়া আধুনিক কাৰ্যালয় ভৱন, অত্যাধুনিক সুৰক্ষা ব্যৱস্থা আৰু নিৰীক্ষণ টাৱাৰ, ২৫৪ গৰাকী কমাণ্ডো থাকিব পৰা আধুনিক বেৰেক সংলগ্ন কৰা হৈছে। চৌহদটোত লগতে গেলেৰীসহ পেৰেড গ্ৰাউণ্ড, শ্বুটিং ৰেঞ্জ, কম্পিউটাৰ লেবসহ শ্ৰেণীকোঠা, চিকিৎসালয়, বিদ্যালয় আদি ব্যৱস্থাৰ উপৰি উন্দোৰ ক্ৰীড়া প্ৰকল্প, ৰেচন-কাপোৰ দোকান, এ টি এম, নামঘৰ আদিও স্থাপন কৰা হৈছে। কমাণ্ডো বাহিনীৰ মুখ্য কাৰ্যালয় উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংবাদিকৰ আগত এইদৰে কয়ঃ

বাইট - মুখ্যমন্ত্ৰী

তেওঁ লগতে কাকপথাৰত বহুমুখী ইন্দোৰ ষ্টেডিয়ামৰ উন্নয়ন, ছপাখোৱাত বীৰ লাচিত ষ্টেডিয়ামৰ উন্নয়নকে ধৰি বহুকেইটা ৰাজহুৱা সা-সুবিধাৰ উন্নীতকৰণ প্ৰকল্পৰ লগতে শক্তিখণ্ড আৰু পথ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। অম্বিকাপুৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা আৰু স্থানীয় বিধায়ক বলিন চেতিয়া উপস্থিত থাকে।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ অধীনৰ অন্তৰ্দেশীয় জলপথ প্ৰাধীকৰণৰ উদ্যোগত ডিব্ৰুগড়ৰ বগীবিলত নিৰ্মাণ কৰা সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদ আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ডিব্ৰুগড় চহৰৰ মাজমজিয়াত নতুন ৰূপত নিৰ্মাণ কৰা ঐতিহ্য ভৱনটোও মুকলি কৰে। এই উপলক্ষে আজি ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত আয়োজিত অনুষ্ঠানত পৰিবহন মন্ত্ৰী চৰণ বড়ো, স্থানীয় বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকন, যোগেন মহন, বিমল বৰা, ৰূপেশ গোৱালাকে ধৰি ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বিধায়ক তথা সংশ্লিষ্ট বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। শ্ৰী

সোণোৱালে এই অনুষ্ঠানৰ পৰাই ধুবুৰীৰ সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদো উদ্বোধন কৰে। এই প্ৰকল্পসমূহে অসমসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য, পৰ্যটন আৰু যোগাযোগ ব্যৱস্থা অধিক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত এইদৰে কয়।

বাইট

00000

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাক লৈ ৰাজ্যজুৰি বিভিন্ন পক্ষৰ মাজত প্ৰতিক্ৰিয়া অব্যাহত আছে। ইয়াৰ মাজতে কালি অসম মন্ত্ৰীসভাৰ বৈঠকত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ দ্ৰুত নিষ্পত্তিৰ বাবে ফাষ্টট্ৰেক আদালত গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। কিন্তু ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ মৃত্যুক লৈ ৰাজনীতি কৰা বুলি অসম জাতীয় পৰিষদকে ধৰি ৰাজ্যৰ একাংশ ৰাজনৈতিক দলে অভিযোগ কৰি আহিছে। জুবিন ক্ষেত্ৰৰ নিৰ্মাণ আজি পৰ্যন্ত নোহোৱাত চৰকাৰ সমালোচনাৰ সন্মুখীন হৈছে। মন্ত্ৰী বিমল বৰাই আজি এই সন্দৰ্ভত কয় যে জুবিন ক্ষেত্ৰ নিৰ্মাণ সন্দৰ্ভত গঠিত সমিতিখনে প্ৰতিবেদন দাখিল কৰাৰ পাছতে ৰাজ্য চৰকাৰে নিৰ্মাণকাৰ্য আৰম্ভ কৰিব। সমিতিখনে জুবিন ক্ষেত্ৰ নিৰ্মাণৰ সকলো বিষয় অধ্যয়ন কৰি থকা বুলি তেওঁ কয়।

00000

সত্ৰ-সংস্কৃতিৰ জনক মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰ দেৱৰ ৫৩৮ সংখ্যক জয়ন্তী আজি বিস্তিত কাৰ্যসূচীৰে পালন কৰা হৈছে। মহাপুৰুষজনাই স্থাপন কৰা আদিধাম বৰপেটাৰ পাটবাউসী সত্ৰৰ লগতে মৰিগাঁৱৰ ঐতিহাসিক বৰ্ণসত্ৰ, মাজুলীৰ দক্ষিণপাট সত্ৰ, শুৱালকুছিৰ শ্যামৰায় সত্ৰ, বংশৰৰ দেৱদামোদৰ মন্দিৰ, তামুলপুৰৰ গান্ধীবাৰী, তেজপুৰৰ দেৱদামোদৰ মন্দিৰসহ ৰাজ্যৰ বিভিন্ন দেৱদামোদৰীয় সত্ৰ আৰু নামঘৰত গুৰুজনাৰ জয়ন্তী সম্পূৰ্ণ আধ্যাত্মিক পৰম্পৰাৰে পালন কৰা হৈছে।

ধুবুৰী জিলাৰ বিলাসীপাৰা সমজিলাৰ হাটিপোতা গাঁৱৰ প্ৰদীপ টিলাৰ লক্ষ্মী মন্দিৰত দিনযোৰা কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰ দেৱৰ ৫৩৮ সংখ্যক জয়ন্তী আজি উলহ মালহেৰে পালন কৰা হয়। এই উপলক্ষে বন্তি প্ৰজলন, গুৰু পূজন, নাম কীৰ্তন, গীতাপাঠ, ভাগৱত পাঠ আৰু ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। ০

00000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ উপ-সঞ্চালক তথা বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আজি অৱসৰ গ্ৰহণ কৰে। ৩৩ বছৰৰো অধিক কালৰ সুদীৰ্ঘ চাকৰি জীৱনত ভাৰতীয় তথ্য সেৱাৰ বিষয়া হিচাপে তেওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ লগতে ক'লকাতা, গুৱাহাটী আৰু ইম্ফল দূৰদৰ্শন কেন্দ্ৰ আৰু কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণন পৰিষদৰ গুৱাহাটী কাৰ্য্যালয়ৰ আঞ্চলিক বিষয়াৰূপে কাৰ্য্য-নিৰ্বাহ কৰিছিল। আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে তেওঁক বিদায় সম্ভাষণ জনায়। কেন্দ্ৰৰ মুৰব্বী তথা উপ-সঞ্চালকপ্ৰধান ৰবীন চন্দ্ৰ বড়োৱে বৰঠাকুৰৰ সমাজ সচেতনতাৰ বিষয়ে উল্লেখ কৰে আৰু পৰৱৰ্তী সময়তো আকাশবাণীৰ উত্তৰোত্তৰ উন্নতি সাধনৰ বাবে পৰামৰ্শ আগবঢ়াই যাবলৈ তেওঁক আহ্বান জনায়। আকাশবাণী গুৱাহটীৰ বাতৰি বিভাগৰ সংবাদকৰ্মীসকলেও আজি দুপৰীয়াৰ ভাগত বিদায়ী বাতৰি বিভাগৰ মুৰব্বীগৰাকীক আন্তৰিকভাৱে বিদায় সম্ভাষণ জনায়।

আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ জ্যেষ্ঠ প্ৰশাসনিক বিষয়া দেশবন্ধু চৌধুৰী, গাণনিক প্ৰণৱ কুমাৰ চক্ৰৱৰ্তী আৰু সহায়ক টংগালিম চিমটেয়ো অৱসৰ গ্ৰহণ কৰিছে। কেন্দ্ৰটোৰ সমূহ বিষয়া-কৰ্মচাৰীয়েও তেওঁলোকক আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনায়।

০০০০০

চিৰাং জিলাৰ কাজলগাঁৱৰ জে এছ বি অসামৰিক চিকিৎসালয় চৌহদত আজি এটা সংহত সমূহীয়া স্বাস্থ্য পৰীক্ষাগাৰ মুকলি কৰা হয়। পি এম অভীম আঁচনিৰ অধীনত প্ৰায় ডেৰ কোটি টকা ব্যয় সাপেক্ষে এই স্বাস্থ্য পৰীক্ষাগাৰটো নিৰ্মাণ কৰা হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ জৰিয়তে নিৰ্মাণ কৰি উলিওৱা এই প্ৰকল্পটো বি টি চিৰ স্বাস্থ্য বিভাগৰ কাৰ্য্যবাহী সদস্য ডেৰহাসাৎ বসুমতাৰীয়ে মুকলি কৰে।

০০০০০

নলবাৰী জিলাৰ ক্ষুদ্ৰ মাখিবাহা গাঁৱৰ অধ্যাপকপাৰা নিবাসী সৰবৰাহী মহিলা দীপ্তি দেৱীৰ কালি আবেলি বৰপেটা কৰ্কট হাস্পতালত দেহাৱসান ঘটে। ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাক্তন আঞ্চলিক সম্পাদিকা দীপ্তি দেৱীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৫০ বছৰ।

০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত ছুপাৰ এইটৰ এখন খেলত কিছুসময় পাছতে ইংলেণ্ড নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০

সমাপ্ত